# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-08-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

অসমীয়া সমাজত পবিত্ৰ মাহ হিচাপে পৰিগণিত ভাদ মাহৰ আৰম্ভণি উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ আৰু নামঘৰসমূহ ভকত-বৈষ্ণৱ আৰু আয়তীসকলৰ হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰিছে। ভাদ মাহক কেন্দ্ৰ কৰি ৰাজ্যজুৰি সৃষ্টি হোৱা আধ্যাত্মিক পৰিৱেশে অসমৰ সাতামপুৰুষীয়া সম্প্ৰীতিৰ বান্ধোন অধিক শক্তিশালী কৰি তোলে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ পূণ্য তিথি আৰু শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ এই মাহটোক অসমবাসীয়ে অত্যন্ত পবিত্ৰ বুলি গণ্য কৰে। গোটেই মাহটো জুৰি ৰাজ্যৰ সত্ৰ আৰু নামঘৰসমূহ নাম প্ৰসংগ অনুষ্ঠিত হয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মভূমি বটদ্ৰৱা থানত ভাদ মাহ উপলক্ষে উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। আজি শাওন ভাদৰ সংক্ৰান্তিৰ দিনটোত পুৱাৰে পৰা অগণন লোকৰ সমাগম হৈছে। আজিৰে পৰা ১৮ প্ৰসংগৰ নাম-কীৰ্তনেৰে থান চৌহদ মুখৰিত হৈ পৰিব। এই মাহটো বটদ্ৰৱালৈ দূৰ-দূৰণি অগণন লোকৰ আগমন ঘটে। অসমৰ ঐতিহ্যমণ্ডিত গোলাঘাটৰ শ্ৰীশ্ৰীআঠখেলীয়া নামঘৰত আজি ভাদ মাহৰ আৰম্ভণি উপলক্ষে বহু ভকত-বৈষ্ণৱৰ সমাগম হয়। এইবাৰ নামঘৰ পৰিচালনা সমিতিয়ে ভাদ মাহত মুঠ চাৰি প্ৰহৰ নামৰ ব্যৱস্থা কৰিছে। এই অনুসৰি পুৱা ৪ বজাত প্ৰথম প্ৰসংগ, ১১ বজাত দুপৰীয়াৰ প্ৰসংগ, দিনৰ ৩ বজাত বিয়লি প্ৰসংগ আৰু সন্ধিয়া ৬ বজাত সান্ধ্য প্ৰসংগ চলিব। তদুপৰি নিশা ১০ বজালৈকে নামঘৰৰ দুৱাৰ খোলা থাকিব বুলি জানিব পৰা গৈছে।

যোৰহাট জিলাৰ টীয়কৰ ঐতিহাসিক শ্ৰীশ্ৰীমাধৱদেৱ প্ৰতিষ্ঠিত ঢেকীয়াখোৱা নামঘৰত আজি ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটা উপস্থিত হৈ নেদেখাজনৰ আশীষ গ্ৰহণ কৰে। তেওঁ ভাদ মাহত ভকত-বৈষ্ণৱৰ অসুবিধা নোহোৱাকৈ সৰ্বতোপ্ৰকাৰে ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিয়ে।

০০০০০০০

লখিমপুৰ জিলাৰ সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ উদ্যোগত তথা জিলা প্ৰশাসনৰ সহযোগত আজি চহৰখনৰ খেলমাটিৰ কলেজ চাৰিআলি আৰু চাপৰি গাঁৱত ড্ৰাগছৰ দৰে সামাজিক ব্যাধিৰ বিৰুদ্ধে সজাগতা কাৰ্যসূচীৰ লগতে পুতলা নাচৰ আয়োজন কৰা হয়। ড্ৰাগছৰ অপকাৰিতা আৰু সামাজিকভাৱে ল'বলগীয়া সচেতনতাৰ বিষয়ে 'সজাগতাৰ জয়গান' শীৰ্ষক পুতলা নাচ কাৰ্যসূচীৰ জৰিয়তে ৰাইজক অৱগত কৰা হয়।

০০০০০০০

জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰাবাসৰ সমূহ প্ৰাক্তন আবাসীৰ কাৰণে অহা ডিচেম্বৰ মাহত প্ৰাক্তন আবাসী সন্মিলনৰ আয়োজন কৰা হৈছে। দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া সন্মিলনখন সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে প্ৰাক্তন আবাসী তথা ৰাজ্য চৰকাৰৰ মন্ত্ৰী বিমল বৰাক সভাপতি হিচাপে লৈ এখন শক্তিশালী আয়োজক সমিতি গঠন কৰা হৈছে। উল্লেখযোগ্য যে ১৯৩০ চনত স্থাপিত আৰু সম্প্ৰতি বিশ্ববিদ্যালয়ৰ মৰ্যাদা লাভ কৰা উজনি অসমৰ পুৰণি শিক্ষানুষ্ঠানখনৰ ১৯৫৪ চনত ছাত্ৰাবাস স্থাপন হৈছিল। প্ৰাক্তন আবাসী সন্মিলনৰ বাবে ১৯৫৪ চনৰ পৰা ছাত্ৰাবাসত থকা সকলো প্ৰাক্তন ছাত্ৰৰ নাম পঞ্জীয়ন সম্প্ৰতি চলি আছে। উল্লেখযোগ্য যে সন্মিলনৰ সৈতে সংগতি ৰাখি এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰো যো-জা চলোৱা হৈছে। স্মৃতিগ্ৰন্থৰ বাবে প্ৰাক্তন আবাসীসকলৰ পৰা ছাত্ৰাবাসৰ স্মৃতিৰ লগতে সেই সময়ৰ শৈক্ষিক, বৌদ্ধিক, সাহিত্য-সাংস্কৃতিক আৰু ক্ৰীড়া-ৰাজনীতিৰ দৰে বিভিন্ন বিষয়ত লেখা আহ্বান কৰা হৈছে। লেখনিসমূহ ১৫ নৱেম্বৰৰ পূৰ্বে প্ৰাক্তন আবাসী সন্মিলনৰ কাৰ্যালয়, জগন্নাথ বৰুৱা মহাবিদ্যালয় ছাত্ৰাবাস, বৰপাত্ৰ আলি, যোৰহাট-১ ঠিকনাত অথবা সম্পাদনা কক্ষক হোৱাট্ছএপযোগে প্ৰেৰণ কৰিব পাৰিব।

০০০০০০০

মৰিগাঁও জিলাৰ ইতিহাস প্ৰসিদ্ধ মায়ঙত পৰ্যটনৰ প্ৰসাৰ ঘটোৱাৰ লক্ষ্যৰে মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত কাইলৈ মায়ং মহাবিদ্যালয় খেলপথাৰত পোনপ্ৰথমবাৰৰ বাবে মায়ং ইন্দ্ৰজাল যাদু মহোৎসৱ অনুষ্ঠিত হ'ব। কাইলৈ পুৱা সাংস্কৃতিক শোভাযাত্ৰাৰে যাদু মহোৎসৱৰ শুভাৰম্ভ কৰা হ'ব। শোভাযাত্ৰাত অঞ্চলটোৰ যাদু সংস্কৃতি আৰু স্থানীয় কলা সংস্কৃতিৰ নিদৰ্শন দাঙি ধৰা হ'ব বুলি জিলাখনৰ উপায়ুক্ত দেৱাশীষ শৰ্মাই জানিবলৈ দিয়ে। কাৰ্যসূচীৰ অংশ হিচাপে মায়ঙৰ যাদু শীৰ্ষক এখন আলোকচিত্ৰ প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে। মহোৎসৱৰ যোগেদি অন্ধবিশ্বাসৰ সলনি মায়ঙৰ ঐতিহ্য বহন কৰা যাদুৰ ইতিহাসৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগতে সংৰক্ষণমুখী পৰ্যটনৰ বাট মুকলি কৰাৰ চেষ্টা কৰা হৈছে। প্ৰস্তুতি বৰ্ষ হিচাপে এইবাৰ এদিনীয়া কাৰ্যসূচীৰে এই মহোৎসৱ উদযাপন কৰা হ'ব যদিও পৰৱৰ্তী বৰ্ষসমূহত দেশৰ বিভিন্ন প্ৰান্তৰ যাদুকৰক একত্ৰিত কৰি সপ্তাহজোৱা বিস্তৃত কাৰ্যসূচীৰে এই উৎসৱ উদযাপনৰ পৰিকল্পনা কৰা হৈছে। ইয়াৰ দ্বাৰা পবিতৰা অভয়াৰণ্যৰ লগতে জিলাখনৰ অন্যান্য পৰ্যটন ক্ষেত্ৰসমূহক বিশ্ব পৰ্যটনৰ মানচিত্ৰত মৰ্যাদাপূৰ্ণ স্থান দিয়াৰ উপৰি জিলাখনলৈ পৰ্যটকৰ সংখ্যা বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। যাদুবিদ্যা কেন্দ্ৰ কৰি মায়ঙত উদযাপন কৰিবলৈ লোৱা এই উৎসৱ দেশৰ ভিতৰতে প্ৰথম যাদুকেন্দ্ৰিক পৰ্যটন উৎসৱ হিচাপে পৰিগণিত হৈছে।

০০০০০০০০

যোৰহাট জিলা প্ৰশাসন আৰু কৃষি বিভাগৰ বিষয়াসকলৰ তত্বাৱধানত আজি জিলাখনৰ বিভিন্ন ঠাইত ডিজিটেল শস্য জৰীপ আৰম্ভ হৈছে। পূব যোৰহাট, পশ্চিম যোৰহাট, তিতাবৰ, মৰিয়নি আৰু টীয়কৰ বিভিন্ন ঠাইত কৃষি বিভাগৰ ডিজিটেল শস্য জৰীপৰ লগত জড়িত জৰীপকৰ্তা, তত্বাৱধায়ক আৰু প্ৰামাণিকসকলৰ সহযোগত এই জৰীপ কাৰ্য সম্পাদন কৰিবলৈ লোৱা হৈছে। এই ব্যৱস্থাই জিলাখনৰ কৃষকসকলৰ এখন সম্পূৰ্ণ ডাটাবেছ প্ৰস্তুত কৰি ভৱিষ্যতে প্ৰয়োজন সাপেক্ষে কৃষকৰ তথ্যসমূহ ব্যৱহাৰৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰিব। শস্যৰ জৰীপে কৃষিভূমিৰ তথ্য সংৰক্ষণ কৰাৰ উপৰি আনুসংগিক শস্যৰ বৈচিত্ৰ নিৰ্ণয়, কৃষিভূমি অনুযায়ী শস্যৰ বিতৰণ আৰু সম্ভাব্য শস্য উৎপাদনকে ধৰি বিভিন্ন পৰিকল্পনা ৰূপায়ণৰ ক্ষেত্ৰতো সহায় কৰিব। ইয়াৰ লগতে কৃষি ঋণ, প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ দৰে কৃষি বিভাগৰ অভিলাষী আঁচনিসমূহৰ ৰূপায়ণতো ডিজিটেল শস্য জৰীপে সহায় কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০

**সমাপ্ত**